**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-05-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। উচ্চতম ন্যায়ালয়ে ৱকফ্ সংশোধনী আইন ২০২৫ সন্দৰ্ভত চলি থকা গোচৰটোৰ ক্ষেত্ৰত অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰাটো স্থগিত ৰাখিছে।

২। অপাৰেচন সিন্দূৰৰ অধীনত পাকিস্তানী সন্ত্ৰাসবাদীৰ গোপন ঘাটিসমূহ ধ্বংস কৰি ভাৰতে যোগ্য প্ৰত্যুত্তৰ দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

৩। ভাৰত আৰু পাকিস্তানৰ মাজৰ কোনো আলোচনা কেৱল পাকিস্তান অধীকৃত কাশ্মীৰক লৈহে হ'ব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে পুনৰবাৰ স্পষ্ট কৰিছে।

৪। কেন্দ্ৰীয় গুৰু উদ্যোগ মন্ত্ৰী এইছ ডি কুমাৰাস্বামীয়ে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী ই-ড্ৰাইভ আঁচনিৰ অধীনত বৈদ্যুতিন বাছ সেৱা আৰম্ভ কৰাৰ বিষয়ক এখন বৈঠকত অধ্যক্ষতা কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি খন্তেক সময় পাছতে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

ooooo

উচ্চতম ন্যায়ালয়ে ৱকফ্ সংশোধনী আইন ২০২৫ সন্দৰ্ভত চলি থকা গোচৰটোৰ ক্ষেত্ৰত অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰাটো স্থগিত ৰাখিছে। মুখ্য ন্যায়াধীশ বি আৰ গবাই আৰু ন্যায়াধীশ অগষ্টিন জৰ্জ মাছিক লৈ গঠিত খণ্ড আদালতে এই আইনখনৰ আইনী বৈধতাৰ প্ৰত্যাহ্বান জনায় দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত গোচৰীয় পক্ষকেইটাৰ জ্যেষ্ঠ অধিবক্তা কপিল শিৱাল, অভিষেক মনু সিংভি আৰু ৰাজীৱ ধাৱান আৰু চৰকাৰী পক্ষৰ অধিবক্তা চলিচিটৰ জেনেৰেল তুষাৰ মেহতাৰ যুক্তি তিনিদিন ধৰি শুনাৰ পাছত আজি তিনিটা বিষয় সন্দৰ্ভত অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰাটো স্থগিত ৰাখে। এই বিষয় তিনিটা হৈছে- আদালতে  ইতিপূৰ্বে ৱকফ্ সম্পত্তি বুলি ঘোষণা কৰা সম্পত্তি মুকলি কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ক্ষমতা, ৰাজ্যিক আৰু কেন্দ্ৰীয় ৱকফ্ বোৰ্ডসমূহত অ-মুছলমান সদস্যৰ অন্তৰ্ভুক্তি আৰু ৱকফ্ সম্পত্তিৰ ক্ষেত্ৰত জিলা ন্যায়াধীশৰ ক্ষমতা।

উল্লেখযোগ্য যে, যোৱা কেইদিনৰ শুনানিত কেন্দ্ৰীয় চৰকাৰ অধিবক্তা- চলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ৱকফ্ আইনখনক ধৰ্ম নিৰপেক্ষ আইনী ব্যৱস্থা বুলি যুক্তি দৰ্শায় আৰু আদালতৰ দ্বাৰা এই ক্ষেত্ৰত স্থগিতাদেশ জাৰি কৰা কাৰ্য সংসদৰ ক্ষমতাৰ ওপৰত হস্তক্ষেপ কৰা হ'ব বুলি যুক্তি দাঙি ধৰে।

ooooo

অপাৰেচন সিন্দূৰৰ অধীনত পাকিস্তানী সন্ত্ৰাসবাদীৰ গোপন ঘাটিসমূহ ধবংস কৰি ভাৰতে যোগ্য প্ৰত্যুত্তৰ দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। তেওঁ কয়, যে সশস্ত্ৰ বাহিনীসমূহক প্ৰয়োজন অনুসৰি কাম কৰিবলৈ চৰকাৰে তেওঁলোকক সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰিছে আৰু ইয়াৰ সহায়ত বাহিনীসমূহে পাকিস্তানক শীৰ নত কৰিবলৈ বাধ্য কৰোৱাইছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ সৈতে পাকিস্তানে কেতিয়াও প্ৰত্যক্ষভাৱে কোনো যুদ্ধত জয়ী হ'ব নোৱাৰে আৰু সেয়েহে দেশখনে সন্ত্ৰাসবাদক উদগনি দি যুদ্ধ জয়ৰ প্ৰয়াস কৰে। ৰাজস্থানৰ বিকানেৰত আজি এখন জনসভাত ভাষণ দি শ্ৰী মোদীয়ে এই কথা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে অপাৰেচন সিন্দূৰে সন্ত্ৰাসবাদৰ সৈতে যুঁজ দিয়াৰ বাবে তিনিটা নীতি নিৰ্ধাৰণ কৰিছে। তেওঁ কয়, যে ভাৰতে সকলোধৰণৰ সন্ত্ৰাসবাদী আক্ৰমণৰ যোগ্য প্ৰত্যুত্তৰ দিব আৰু এই প্ৰত্যুত্তৰৰ ধৰণ সন্দৰ্ভত দেশৰ সশস্ত্ৰ বাহিনীসমূহে প্ৰয়োজনীয় সিদ্ধান্ত গ্ৰহণ কৰিব। ভাৰত কোনো ধৰণৰ পৰমাণু ভাবুকিৰ দ্বাৰা সংকিত নহয় বুলিও শ্ৰী মোদীয়ে স্পষ্ট কৰি দিয়ে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত দেশৰ জনসাধাৰণে সন্ত্ৰাসবাদ সমূলি ধ্বংস কৰাৰ বাবে সংকল্প গ্ৰহণ কৰিছে আৰু সশস্ত্ৰ বাহিনীসমূহৰ সাহস আৰু বীৰত্বৰ সহায়ত দেশে এই সংকল্প পূৰণ কৰিছে। তেওঁ কয়, যে পাকিস্তানে প্ৰতিটো সন্ত্ৰসবাদী আক্ৰমণৰ উচিত মূল্য আদায় দিব লাগিব বুলি ভাৰতে স্পষ্ট কৰি দিছে। শ্ৰী মোদীয়ে লগতে কয়, যে পাকিস্তানৰ সৈতে কোনো ধৰণৰ  আলোচনা অথবা বাণিজ্য সম্ভৱ নহ'ব আৰু আলোচনা হ'লে, পাক অধ্যুষিত কাশ্মীৰ সন্দৰ্ভতহে আলোচনা হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ পূৰ্বে বিকানেৰৰ পালানাত আয়োজিত জনসভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজস্থানৰ বিকানেৰত ২৬ হাজাৰ কোটিৰে অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। এই সমূহৰ ভিৰতৰ ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ১১শ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে ১০৩ টা পুনৰ উন্নীতকৰণ অমৃত ষ্টেচন অন্যতম। উল্লেযোগ্য অমৃত ভাৰত ষ্টেচন আঁচনীৰ অধীনত এহেজাৰ ৩০০ টাৰো অধিক ৰে'ল ষ্টেচনক আধুনিক সা-সবিধা তথা আৰ্হিৰে পুনৰ উন্নীত কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি বিকানেৰৰ পৰা ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে নতুনকৈ উন্নীত কৰা ১০৩ টা অমৃত ভাৰত ষ্টেচন উদ্বোধন কৰে। তেওঁ মুম্বাইৰ বান্দ্ৰা টাৰ্মিনাছৰ পৰা ৰাজস্থানৰ বিকানেৰ ষ্টেচনলৈ চলিবলগীয়া এখন নতুন সাপ্তাহিক ৰে'লগাড়ীৰো পতাকা জোকাৰি শুভাৰম্ভ কৰে। অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত  মহাৰাষ্ট্ৰৰ মুঠ ১৫ টা ষ্টেচনৰ পুনৰ উন্নয়ন কৰা হয়। ইয়াৰ ভিতৰত মুম্বাইৰ উপনগৰীয় অঞ্চলৰ ৪টা ষ্টেচনো আছে। এই ষ্টেচনসমূহৰ ভিতৰত আমগাওঁ, চন্দা ফ'ৰ্ট, চিচনচপকলি, ডেভলালি, ধূলে, কেদগাওঁ, লাছালগাওঁ, ল'নান্দ জংচন, মাতুংগা, মূৰ্তিজাপুৰ জংচন, নেতাজী সুভাষ চন্দ্ৰ বসু ইটৱাৰী জংচন, পাৰেল, চান্দা, চাহাদ, আৰু ৱাডালা ৰ'ড ও আছে। মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণন আৰু মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নৱিশেও মুম্বাইৰ পাৰেল ষ্টেচনৰ পৰা আৰু কেন্দ্ৰীয় মন্ত্ৰী ৰকচা খাদচে জলগাওঁৰ পৰা অনলাইনযোগে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।  এই আঁচনিৰ অধীনত ষ্টেচনসমূহৰ পুনৰ

উন্নীতকৰণৰ কাম খৰতকীয়াকৈ সম্পন্ন কৰাৰ বাবে মন্ত্ৰী শ্ৰীমতী খাদচেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু ৰেলমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

ooooo

ভাৰত -পাকিস্তানৰ মাজত আলোচনা সন্দৰ্ভত ভাৰতে নিজৰ পূৰ্বৰ স্থিতিকেই দোহাৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত আজি বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়চোৱালে কয় যে একেসময়তে সন্ত্ৰাসবাদ আৰু আলোচনাৰ কথা চলিব নোৱাৰে। তেওঁ লগতে কয় যে ভাৰতে কিছু বছৰ পূৰ্বে পাকিস্তানক দিয়া সন্ত্ৰাসবাদীৰ তালিকাখন ভাৰতৰ হাতত অৰ্পন কৰা সন্দৰ্ভত নতুন দিল্লীয়ে আলোচনা মুকলি কৰি ৰাখিছে। তেওঁ কয় যে জম্মু-কাশ্মীৰ সন্দৰ্ভত কিবা আলোচনা অনুষ্ঠিত হ'লে, সেই আলোচনা কেৱল পাক অধীকৃত কাশ্মীৰ সন্দৰ্ভতহে হ'ব। সিন্ধু জল চুক্তি সন্দৰ্ভত মুখপাত্ৰগৰাকীয়ে কয় যে সীমান্তৰ সন্ত্ৰাসবাদক পাকিস্তানে সমৰ্থন দি থকা পৰ্যন্ত এই চুক্তি স্থগিত ৰখা হ'ব। মুখপাত্ৰগৰাকীয়ে কয় যে সন্ত্ৰাসবাদ সন্দৰ্ভত ভাৰতৰ স্থিতিৰ কথা বিশ্বসম্প্ৰদায়ৰ আগত দাঙি ধৰিবলৈ ভাৰতে সৰ্বদলীয় প্ৰতিনিধি দল গঠন কৰিছে। বিশ্বৰ ৩৩ খন দেশত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতি আৰু সীমান্তত সন্ত্ৰাসবাদক উদ্গনি দিয়া ৰাষ্ট্ৰৰ বিষয়ে অৱগত কৰাবলৈ প্ৰতিনিধি দলসমূহক দায়িত্ব দিয়া হৈছে। এই ৩৩ খন ৰাষ্ট্ৰৰ সৈতে ভাৰতৰ শক্তিশালী আন্তঃৰাষ্ট্ৰীয় সম্বন্ধ আছে আৰু এইসমূহ দেশৰ বেছি সংখ্যকেই ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সদস্য ৰাষ্ট্ৰ।

ooooo

কেন্দ্ৰীয় গুৰু উদ্যোগ মন্ত্ৰী এইছ ডি কুমাৰাস্বামীয়ে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী ই-ড্ৰাইভ আঁচনিৰ অধীনত বৈদ্যুতিন বাছ সেৱা আৰম্ভ কৰাৰ বিষয়ক এখন বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত প্ৰাথমিক পৰ্যায়ত তেলেংগানা, কৰ্ণাটক, দিল্লী আৰু গুজৰাটত এই সেৱা আৰম্ভ কৰাৰ বিষয়ত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী ই-ড্ৰাইভ আঁচনিৰ চলিত পৰ্যায়ৰ অধীনত বেংগালুৰুলৈ প্ৰায় চাৰি হাজাৰ ৫০০ খন, হায়দৰাবাদলৈ দুহেজাৰ, দিল্লীলৈ দুহেজাৰ ৮০০, আহমেদাবাদলৈ এহেজাৰ আৰু চুৰাটলৈ ৬০০ খন বৈদ্যুতিন বাছ আৱণ্টন দিয়া হ'ব। বৈঠকত ভাষণ দি শ্ৰী কুমাৰাস্বামীয়ে কয়, যে নগৰাঞ্চলত স্থায়ী যাতায়তৰ উন্নয়নৰ দিশে ভাৰতে বিশেষ সাহসী পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ লগতে কয়, যে চৰকাৰে কেৱল বৈদ্যুতিক বাছৰ আৱণ্টন দিয়াই নহয়, বৰং ন ন উদ্ভাৱন আৰু পৰিৱেশৰ প্ৰতি সচেতনতাৰে দেশৰ পৰিবহন ব্যৱস্থাৰ ভৱিষ্যতক সঠিক আকাৰ দিয়াৰ হকে কাম কৰি আছে।

ooooo

দেশৰ দৰিদ্ৰ শ্ৰেণীৰ জীৱনযাত্ৰা উন্নত কৰাৰ ক্ষেত্ৰত চৰকাৰে প্ৰৱৰ্তন কৰা সামাজিক আঁচনিসমূহে বিশেষ বৰঙণি আগবঢ়াইছে বুলি আজি বি জে পিয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ তুহিন সিনহাই নাৰী সৱলীকৰণৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰধান মন্ত্ৰী উজ্বলা যোজনাৰ আঁচনিখন এটা উজ্বল উদাহৰণ বুলি প্ৰকাশ কৰে। শ্ৰী সিনহাই কয় যে দেশজুৰি ১০ কোটি ৩৩ লাখ লোকক প্ৰধান মন্ত্ৰী উজ্বলা যোজনাৰ সৈতে সংযুক্ত কৰা হৈছে। তেওঁ লগতে কয় যে এই আঁচনিৰ অধীনত সংযুক্ত হোৱা ৮৫% তকৈও অধিক লোকে নিয়মীয়াকৈ ৰন্ধন গেছ ব্যৱহাৰ কৰি আছে।

০০০০০

বিশ্ব পৰিৱেশ দিৱসৰ পূৰ্বে চৰকাৰে আজি ৰাষ্ট্ৰজুৰি, " এখন দেশ, এটা অভিযান : প্লাষ্টিক প্ৰদূষণ নিৰ্মূল" শীৰ্ষক এটা সজাগতামূলক অভিযানৰ শুভাৰম্ভ কৰে। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দৰ যাদৱে, পূৰ্বৰ এটা ভিডিঅ' সামাজিক মাধ্যমত প্ৰকাশ কৰি, প্লাষ্টিকৰ ব্যৱহাৰৰ অৱসান ঘটাই বহনক্ষম জীৱনযাত্ৰাৰ বাবে সমূহীয়া সজাগতা গ্ৰহণৰ বাবে জনসাধাৰণক আহ্বান জনায়। মন্ত্ৰালয়ে এটা বিবৃত্তিৰ জৰিয়তে কয় যে এই অভিযানে ভাৰতৰ প্ৰথম গুৰুত্বপূৰ্ণ অভিযান 'পৰিৱেশৰ বাবে জীৱনযাত্ৰা'ৰ লগতে পৰিৱেশৰ নিৰাপত্তা আৰু ভাৰসাম্যতা ৰক্ষাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিৱদ্ধতাক আলোকপাত কৰিছে।

০০০০০

শ্ৰীলংকাৰ নৌ বাহিনীয়ে আজি নাগাপট্টিনামৰ পৰা ৪ জন মাছমৰীয়াক আক্ৰমণ কৰে। আক্ৰমণৰ বলি হোৱা মাছমৰীয়া কেইজনে প্ৰকাশ কৰা মতে কোড়িয়াকাড়াইৰ সমীপত মাছমাৰি থকা অৱস্থাত দেশখনৰ নৌ সেনাবাহিনীৰ লোকে তেওঁলোকৰ ডিজেলৰ গেলন, জিপিএছৰ সা-সৰঞ্জাম আজি কাঢ়ি লোৱাৰ লগতে মাছমৰা জালসমূহো নষ্ট কৰে। ইয়াৰ পাছত তেওঁলোকক ডিজেল অবিহনে সাগৰত এৰি দিয়া হয় যদিও সাগৰত থকা আন নাৱৰ মাছমৰীয়াৰ সহায়ত তেওঁলোক পাৰলৈ ঘূৰি আহিবলৈ সমৰ্থ হয়। ঘটনা সন্দৰ্ভত এই মাছমৰীয়া কেইজনে মীন বিভাগ, উপকূলীয় সামুদ্ৰিক গোট আৰু আৰক্ষীৰ ওচৰত এটা গোচৰ ৰুজু কৰিছে। তেওঁলোকে লগতে এই ঘটনাৰ উপযুক্ত পদক্ষেপ লোৱাৰ বাবে চৰকাৰক আহ্বান জনাইছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি খন্তেক সময় পাছতে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ, লক্ষ্নৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। চাৰে ৭ বজাত আৰম্ভ হ'বলগীয়া খেলখনত গুজৰাট টাইটানছে টছত জিকি প্ৰথমে বলিং কৰা সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন ডি .চি ত এগৰাকী ইজৰাইলী কূটনীতিবিদ হত্যা কৰা ঘটনাক ভাৰতে তীব্ৰ গৰিহনা দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে অপৰাধীক আইনৰ আওতালৈ অনা প্ৰয়োজন। বৈদেশিক মন্ত্ৰীগৰাকীয়ে ইজৰাইলী কূটনীতিবিদ গৰাকীৰ শোকসন্তপ্ত পৰিয়াল আৰু বন্ধুবৰ্গলৈ সমবেদনাও জ্ঞাপন কৰে।

ooooo

সমাপ্ত